بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**হজৰত মছীহ্ মাওউদ (আঃ)ৰ গভীৰ তত্ত্ব সম্বলিত বাণীৰ আধাৰত কোৰাণ কৰিমৰ ফজিলত,স্থান আৰু মৰ্যাদা আৰু মহত্ব সম্পৰ্কে বৰ্ণনা জামাতৰ সদস্য বৃন্দলৈ পাকিস্তান,বৰকিনাফাছো আৰু বাংলাদেশৰ আহমদী সকলৰ নিমিত্তে দোৱাৰ আহ্বান**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৭ মাৰ্চ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যোৱা কেইবা সপ্তাহৰ জুমাৰ খোতবাবোৰত কোৰাণ কৰিমৰ স্থান,মৰ্যদা আৰু ইয়াৰ সৌন্দৰ্য্য সম্পৰ্কে বৰ্ণনা কৰা হৈ আছে। কোৰাণ চৰিফৰ মতে ধৰ্মৰ আসন আৰু উদ্দেশ্য কি আৰু মানৱৰ প্ৰবৃত্তিক শক্তিৰ ওপৰত ইয়াৰ প্ৰভাৱ কি আৰু কেনেকুৱা হোৱা উচিত। এই সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে ইঞ্জিলে এই সম্পৰ্কে কোনো উত্তৰ দিয়া নাই কাৰণ ইঞ্জিল হিকমতৰ বাটৰ পৰা আঁতৰত ৰৈ আছে,কিন্তু কোৰাণ চৰিফে বিতং ব্যাখ্যাৰ সৈতে বাৰে বাৰে এই মছায়েলৰ সমাধান আগবঢ়াই আছে যে ধৰ্মৰ এয়া উদ্দেশ্য নহয় যে মানৱৰ চাৰিত্ৰিক শক্তিৰ পৰিৱৰ্তন ঘটাব আৰু ভেড়াবিলাকক ছাগলী বনাই দেখুৱাব অৰ্থাৎ শক্তিশালীক দুৰ্বল কৰি দেখুৱাব; বৰং ধৰ্মৰ মূল উদ্দেশ্য হ'ল এয়া যে যি শক্তি আৰু প্ৰৱণতা চাৰিত্ৰিক ভাৱে মানৱৰ মাজত নিহিত আছে যি উৎস আৰু শক্তি নিহিত আছে, সেয়া নিজৰ সময় সুযোগ আৰু পৰিৱেশ অনুযায়ী কামত লগাবলৈ বাট দেখুৱাই দিয়া। কোনো ধৰ্মৰ এই শক্তি নাই যে কোনো প্ৰবৃত্তিৰ শক্তিক সলনি কৰি পেলাব,বৰং এই শক্তিটো আছে যে তাক পৰিৱেশ,পৰিস্থিতি হিচাপে ব্যৱহাৰ কৰিবলৈ হিদায়ত দিব পাৰে। ধৰ্মই কেৱল এটা শক্তিৰ ওপৰতেই জোৰ দি বহি নাথাকে বৰং সকলো শক্তিক ব্যৱহাৰ কৰাৰ,কামত লগোৱাৰ নিৰ্দেশ দিয়ে। ধৰ্মৰ আচল উদ্দেশ্য হ'ল সংশোধন কৰা আৰু ভালৰ ফালে লৈ যোৱা। আৰু এই উদ্দেশ্য সমূহ কেনেকৈ সফল হ'ব,সেই লৈ চেষ্টা কৰা।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এই কথাটো সঁচাকৈয়ে সত্য যে অধিকাংশ মুছলমানেই বৰ্তমানে কোৰাণৰ একোৰে বুজি নাপায। কিন্তু খোদা তা'লাই এতিয়া ইচ্ছা কৰিছে যে কোৰাণৰ শুদ্ধ অৰ্থ প্ৰকাশ কৰি দিব। সেয়ে খোদা তা'লাই মোক মামুৰিয়তৰ সৈতে পঠিয়াইছে আৰু মই তাৰ ইলহাম আৰু ওহীৰ জৰিয়তে কোৰাণ

কৰিম বুজি পাওঁ। কোৰাণ কৰিমৰ শিক্ষা এনেকুৱা শিক্ষা যে ইয়াৰ ওপৰত কোনো ধৰণৰ অভিযোগ উঠিব নোৱাৰে আৰু বাণী সমৃদ্ধিত এনেকুৱা সুগঠিত যে কোনো দাৰ্শনিকেই ইয়াৰ ওপৰত অভিযোগ অনাৰ সুযোগ নাপায়। আকৌ কোৰাণৰ মহত্ব বৰ্ণনা কৰোঁতে তেখেত (আঃ)য়ে জামাতক নচীহত কৰিছে যে কোৰাণ চৰিফৰ ওপৰত ৰিচাৰ্জ কৰা, ইয়াৰ মাজত নেকি আৰু গোনাহৰ বিতং ব্যাখ্যা প্ৰণীত আছে আৰু ভৱিষ্যতৰ গৰ্ভত অহা যুগৰ আগতীয়া খবৰ লিপিবদ্ধ আছে।

কোৰাণ চৰিফে সেই ধৰ্মক আগবঢ়ায় যাৰ ওপৰত কোনো অভিযোগ সমালোচনা হ'ব নোৱাৰে। কাৰণ ইয়াৰ বৰকত আৰু ফল সতেজ পোৱা যায়। এই গৌৰৱ একমাত্ৰ কোৰাণ চৰিফৰেই আছে যে আল্লাহ তা'লা সকলো ধৰণৰ বেমাৰৰ চিকিৎসা ইয়াৰ মাজত সন্নিবিষ্ট কৰিছে আৰু সকলো শক্তিৰ নৈপুণ্যতাৰ তৰবিয়ত ঢালি দিছে আৰু যিবোৰ গোনাহ প্ৰকাশ পাইছে, সেইবোৰ দূৰ কৰাৰ উপায় জনাই দিছে। গতিকে কোৰাণ মজিদ তিলাওয়াত কৰি যোৱা, দোৱা কৰি থাকা আৰু নিজৰ চাল-চলন আচাৰ-আচৰণ ইয়াৰ শিক্ষাৰ অধীনত ৰখাৰ চেষ্টা কৰা।

কোৰাণ কৰিমৰ ওপৰত গভীৰ চিন্তা কৰিবলৈ মনোযোগ আকৰ্ষণ কৰি তেখেত (আঃ)য়ে কৈছে যে বিদাত (অংশীবাদীতা)আৰু পৰম্পৰাৰ পৰা আঁতৰি থকা উত্তম, ইয়াৰ দ্বাৰা লাহে লাহে চৰিয়তৰ মাজত অক্ষমতা প্ৰৱেশ কৰিবলৈ আৰম্ভ কৰে। উত্তম উপায় হ'ল এয়া যে এনেয়ে সাধাৰণ কাম কাজত যি সময় এজনে পাৰ কৰে,সেই সময়খিনি কোৰাণ চৰিফৰ ওপৰত খৰচ কৰক। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বিদাতৰ পৰা আমি দূৰত থকা উচিত আৰু কোৰাণ চৰিফৰ অনুবাদ, তফছিৰ আদি অধ্যয়ন কৰাৰ বেছি প্ৰয়োজন আছে। অহা সপ্তাহৰ পৰা ৰমজান মাহ আৰম্ভ হ'ব। গতিকে এই ৰমজান মাহত আমি বিশেষ ভাৱে কোৰাণ কৰিম পঢ়া,পঢ়োৱা আৰু বুজিবলৈ চেষ্টা কৰিব লাগিব। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে হৃদয়ৰ কঠোৰতা আঁতৰাবলৈ এয়াই একমাত্ৰ উপায় যে কোৰাণ চৰিফ বাৰে বাৰে পঢ়া। য'ত যতেই দোৱা হয় তাতেই মোমিনৰ হৃদয়ে বিচাৰে যে এইবোৰ ৰহমতে ইলাহি মোৰ লগতও চামিল হওঁক। কোৰাণ কৰিমৰ দৃষ্টান্ত এখন বাগিছাৰ দৰে যে এঠাইত এবিধ ফুল আন ঠাইত আনবিধ ফুল ছিঙিব পাৰি। গতিকে প্ৰয়োজন হ'ল যে আমি প্ৰত্যেক ঠাইৰ পৰাই লাভ আহৰণ কৰিব লাগিব। ইয়াৰ দ্বাৰা মানুহৰ আধ্যাত্মিক উন্নতি সাধন হয় আৰু মানুহে কোৰাণৰ আদেশ নিষেধবোৰ নিজৰ ওপৰত কাৰ্যকৰী কৰি ল'ব পাৰে। যিবোৰ আদেশ আল্লাহ তা'লাই প্ৰদান কৰিছে সেইবোৰ পালন কৰক। আৰু যিবোৰৰ পৰা নিষেধ কৰিছে সেইবোৰ ত্যাগ কৰিবলৈ চেষ্টা কৰক। এইবোৰেই সেই ফুল যি মানুহে এইখন বাগিছাৰ পৰা বুটলিব পাৰে।

হুজুৰ আনোৱাৰ (আইঃ)যে কয় যে চাহাবা ইকৰাম (ৰাঃ) সকলে হাদীছ সমূহক কোৰাণ চৰিফতকৈ নিম্ন মানত মান্য কৰিছিল। কৈছে যে এয়া মনত ৰাখিবলগীয়া বিষয় যে হাদীছ সমূহ বহু পিছত লিপিবদ্ধ কৰা হৈছে কিন্তু কিছুমান হাদীছ চাহাবা সকলে লগে লগেই লিখি লোৱা কৰিছিল। এবাৰ হজৰত উমৰ (ৰাঃ)য়ে কোনো এটা গোচৰৰ ৰায় শুনাবলৈ লওঁতে এজনী বৃদ্ধ মহিলাই কৈছিল যে হাদীছত বিষয়টো এনেদৰে লিখা আছে। কিন্তু হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে মই এজনী বৃদ্ধ মহিলাৰ কথাত কিতাবুল্লাহ এৰিব নোৱাৰো। গতিকে প্ৰকৃতাৰ্থে সেয়াই আমি মানি লোৱা উচিত। যদি এনেদৰে কৰা নহয় তেন্তে বিদাতৰ সম্প্ৰসাৰণ ঘটি থাকিব আৰু আজি এই কাৰণেই মুছলমান সকলৰ মাজত বিদাতে বিস্তাৰ লাভ কৰি গৈ আছে, আৰু লগতে কোৰাণ কৰিমৰ আচল শিক্ষাৰ পৰা আঁতৰি গৈ আছে। আমাতুল মুছলেমিনৰ অধিকাংশই জাহিল (মূৰ্খ)। নামধাৰী উলামা সকলে সিহঁতক যিফালে লৈ যায় সেই ফালেই খোজ লয় আৰু বিদাতে বিস্তাৰ ঘটায়। কিন্তু আজি এনে পৰিস্থিতিৰ মাজতে তেওঁলোকে আমালোকৰ ওপৰত দোষ জাপি দিয়ে যে আমি কোৰাণ কৰিমৰ বাণীত সাল-সলনি কৰো। হজৰত

মছীহ মাওউদ (আঃ)য়ে কৈছে যে যেতিয়ালৈকে মুছলমান সকলে কোৰাণ চৰিফৰ পূৰ্ণ অনুসাৰী আৰু পালনকাৰী নহ'ব, তেওঁলোকে কোনো ধৰণৰ উন্নতি সাধন কৰা সম্ভৱ নহ'ব। তেখেত (আঃ)য়ে কৈছে যে কোৰাণ মুকুতাৰ ভঁৰাল আৰু মানুহে ইয়াৰ খবৰ নাজানে। পৰিতাপৰ বিষয় হ'ল এয়া যে মানুহে আগ্ৰহ আৰু অনুসন্ধানী মনোভাৱলৈ কোৰাণ চৰিফৰ ফালে মনোযোগ নিদিয়ে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে কোৰাণ চৰিফ নিজতে প্ৰামানিক ৰূপ ৰাখে। ইয়াত এনেকুৱা কোনো কথাৰ বৰ্ণনা নাই যে যাৰ সৈতে স্পষ্ট আৰু উপযুক্ত প্ৰমাণ লিপিবদ্ধ কৰা নাই। যেনেকৈ কোৰাণ চৰিফৰ সহজ সৰল বৰ্ণনা আৰু সম্পূৰ্ণতাই নিজৰ মাজতে এটা বৈশিষ্ট ৰাখে। যেনেকৈ ইয়াৰ শিক্ষাৰ মাজত গ্ৰহণযোগ্যতা আৰু আকৰ্ষণ আছে ঠিক তেনেকৈ ইয়াৰ প্ৰমাণ আদিও সন্নিবিষ্ট আছে। গতিকে বেলেগ কোনো গ্ৰন্থই ইয়াৰ লগত ফেৰ মাৰিব নোৱাৰে। গতিকে যেতিয়া কোৰাণ পঢ়িবা আৰু কোনো কথা ইয়াত পাবা তেতিয়া তাতেই সেই বিষয় সম্পৰ্কে প্ৰমাণ বিচাৰিবা। তেখেত (আঃ)য়ে কৈছে যে মনত ৰখা উচিত যে আমি কোৰাণ চৰিফ আগবঢ়াও যাৰ দ্বাৰা যাদু পলায় যায়, ইয়াৰ আগত কোনো মিছা আৰু যাদু টিকি থাকিব নোৱাৰে। কোৰাণ কৰিম সেই মহান অস্ত্ৰ যাৰ আগত কোনো বাতিল প্ৰতিষ্ঠিত হৈ থকাৰ শক্তি বা ক্ষমতা থাকিব নোৱাৰে। এয়া হ'ল আচমানী অস্ত্ৰ যি কেতিয়াও মামৰে ধৰিব নোৱাৰে। গতিকে আমি কোৰাণ চৰিফৰ ওপৰত চিন্তা আৰু মনোযোগ নিবন্ধ কৰি অধ্যয়ন কৰা উচিত, যাতে আমি আমাৰ আধ্যাত্মিক আৰু শিক্ষাৰ মান উন্নত কৰি বিৰুদ্ধবাদী সকলক মষিমূৰ কৰিব পাৰো।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে কোৰাণ চৰিফ সন্মানৰ যোগ্য এখন কিতাপ যিয়ে সম্প্ৰদায়ৰ মাজত মিলা-প্ৰীতিৰ ভিত্তি স্থাপন কৰিছে আৰু প্ৰত্যেক সম্প্ৰদায়ৰ নবী সকলক স্বীকৃতি প্ৰদান কৰিছে। গোটেই বিশ্বৰ মাজত এই বিশেষ গৌৰৱ একমাত্ৰ কোৰাণ চৰিফৰেই আছে,যিয়ে এই শিক্ষা দিয়ে যে **লানুফাৰৰিকু বায়না আহাদিম মিনহুম ওৰা নাহনু লাহু মুছলিমিন** অৰ্থাৎ হে মুছলমান সকল ! এয়া কোৱা যে বিশ্বৰ সকলো নবী সকলৰ ওপৰত আমি ঈমান ৰাখো আৰু তেখেত সকলৰ মাজত কোনো বিভাজন নকৰো যে কিছুমানক মানি লওঁ আৰু কিছুমানক মিছা সাব্যস্ত কৰো। হজৰত মছীহ মাওউদ (আঃ)য়ে চ্যালেঞ্জ কৰিছে যে যদি এনেকুৱা মীমাংসাকাৰী আৰু কোনো কিতাপ আছে তেন্তে তাৰ নাম কোৱা। তেখেত (আঃ)য়ে কৈছে যে কোৰাণ চৰিফ এখন এনেকুৱা গ্ৰন্থ যাৰ আনুগত্যৰ দ্বাৰা ইহজগতে মুক্তিৰ লক্ষণ প্ৰকাশিত হয়। ইয়াৰ বৰ্ণনা এনেকুৱা সুবিশাল আৰু সত্য যে যেনেদৰে এনেকুৱা বহুতো সন্দেহ জগতত পোৱা যায়; যিয়ে খোদাৰ সান্নিধ্য লাভত বাধ্য প্ৰদান কৰে; সেই সকলোবোৰক বাতিল সাব্যস্ত কৰাৰ উপায় কোৰাণ কৰিমত আছে। কোৰাণ কৰিম বিশ্বাসী আৰু সুগঠিত সম্পূৰ্ণ বাণীৰ গ্ৰন্থ যি সন্দেহ আৰু ধাৰণাৰ আৱৰ্জনাৰ পৰা পৱিত্ৰ।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে খোদা তা'লাই প্ৰথমে বিভিন্ন ধৰণে প্ৰত্যেক উম্মতলৈ পৃথক পৃথক কাৰ্যসূচী প্ৰেৰণ কৰিছিল তাৰ পিছত ইচ্ছা কৰে যে যিহেতু খোদা এক গতিকে তেওঁলোকেও এক হৈ যাওঁক সেয়ে সকলোকে এটা হাতত জমা কৰিবলৈ কোৰাণ পঠিয়াই দিয়ে। কোৰাণ চৰিফে আগতে অহা কিতাপ আৰু নবী সকলৰ ওপৰত কৰুণা কৰিছে যে সিহঁতৰ শিক্ষা-নীতি যিবোৰ গল্প কাহিনীৰ দৰে আছিল সেইবোৰক শৈক্ষিক ৰঙত ৰূপান্তৰিত কৰিছে। কোনেও সেই গল্প কাহিনীৰ জৰিয়তে মুক্তি লাভ কৰিব নোৱাৰে যেতিয়ালৈকে কোৰাণ চৰিফ নপঢ়ে। যি সকলে কোৰাণ পঢ়ে আৰু ইয়াক কাহিনীমূলক কিতাপ বুলি ভাৱে তেওঁ কোৰাণ কৰিমক অপমান কৰে। আমাৰ বিৰুদ্ধবাদী সকলে আমাৰ বিৰোধ কৰাৰ কাৰণ হ'ল যে আমি জগতক দেখুৱাব বিচাৰো যে কোৰাণ চৰিফ পোনপটীয়া ভাৱে এক আলোক, প্ৰজ্ঞা আৰু মাৰিফত হয়। খোদা তা'লাই নিজৰ কৃপাৰে আমালোকৰ ওপৰত সেয়া উন্মোক্ত কৰিছে যে কোৰাণ চৰিফ এখন জীৱন্ত আৰু কিৰণময় গ্ৰন্থ। গতিকে আমি কিয় সিহঁতৰ

বিৰোধীতাক ভ্রূক্ষেপ কৰিম।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে কোৰাণ চৰিফৰ মাজত এনেকুৱা মহত্বপূৰ্ণ শিক্ষা সন্নিবিষ্ট আছে যিবোৰ তৌৰাত আৰু ইঞ্জিলত বিচৰাটো অযথা হ'ব। সেয়ে ইয়াৰ অৰ্থ আৰু মূল ভাৱৰ ওপৰত চিন্তা কৰাটো প্ৰত্যেকৰে অভ্যাসত পৰিণত হোৱা উচিত যাতে খোদা তা'লাৰ বাণীৰ সৌন্দৰ্য্য আৰু ঐশ্বৰিক বিষয়ে আমি গম পাও। তেখেত (আঃ)য়ে কৈছে যে কোৰাণ চৰিফৰ প্ৰথমেৰে পৰা শেষলৈ আদেশ আৰু নিষেধ বিতং ভাৱে সন্নিৱিষ্ট আছে। তিলাওয়াত কৰাৰ সময়ত সেইবোৰ বিচাৰি লোৱা উচিত আৰু সেইবোৰ জীৱনৰ লগৰীয়া বনাই লোৱা উচিত তেতিয়াহে আমি খোদা তা'লাৰ বাণীৰ প্ৰকৃত কল্যাণ লাভ কৰিব পাৰিম। কোৰাণ চৰিফত সকলো আছে কিন্তু যেতিয়ালৈকে দৃষ্টিগোচৰ নহ'ব একো লাভ নহ'ব।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে কোৰাণ চৰিফ আধ্যাত্মিক তত্ত্ব কথাৰ এখন ভঁৰাল। জগতৰ সমস্ত কল্যাণ ইয়াৰ মাধ্যমে আহি থাকে। আল্লাহ তা'লা সেই কাৰণেই আম্বিয়া প্ৰেৰণ কৰিছে আৰু নিজৰ অন্তিম গ্ৰন্থখন নাযিল কৰিছে যাতে মানৱে ইয়াৰ গুণাৱলী সম্পৰ্কে জ্ঞানলৈ ৰক্ষা পাই যায়। গতিকে প্ৰত্যেকজন আহমদীৰ এয়াও কাম যে যেতিয়া তেওঁলোকে কোৰাণ কৰিমৰ শিক্ষা অনুযায়ী নিজৰ অৱস্থাক গঢ় দিব তেতিয়া জগত বাসীকও এই শিক্ষাৰ সৈতে পৰিচয় কৰোৱাব লাগিব,আৰু সিহঁতক আধ্যাত্মিক আৰু বাস্তৱ ধ্বংসলীলাৰ পৰা বচাব লাগিব। আঁহজৰত (ছাঃ) খাতামান নাবীঈন হয় আৰু কোৰাণ আৰু কোৰাণ চৰিফ খাতামুল কুতুব। যিবোৰ কাম আঁহজৰত (ছাঃ)য়ে নিজে হাতে কামে সম্পাদন কৰি দেখুৱাইছে আৰু যিবোৰ কোৰাণ চৰিফে শিক্ষা দিছে, সেইবোৰ এৰি দিলে মুক্তিপ্ৰাপ্ত হ'ব নোৱাৰে। এয়াই হ'ল আমাৰ ধৰ্ম আৰু বিশ্বাস। আল্লাহ কৰক এই কথাবোৰ আমাতুল মুছলেমিনে যেন বুজি পায় আৰু তেওঁলোকে যেন যুগৰ ইমামক চিনি পাবলৈ সক্ষম হয়।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে পাকিস্তান,বৰকিনাফাছো আৰু বাংলাদেশৰ আহমদী ভাই ভনী সকলৰ নিমিত্তে দোৱা কৰিবলৈ আহ্বনা জনায়। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে পাকিস্তানৰ আহমদী সকলৰ বাবে আৰু দেশৰ সাধাৰণ পৰিস্থিতি অনুকুল হোৱাৰ বাবে দোৱা কৰিব। বৰকিনাফাছোৰ আহমদী সকলৰ বাবে আৰু দেশৰ সাধাৰণ পৰিস্থিতি অনুকুল হোৱাৰ বাবে দোৱা কৰিব। লগতে বাংলাদেশৰ আহমদী সকলৰ নিমিত্তেও দোৱা কৰিব। আল্লাহ তা'লা সকলোকে নিৰাপদৰে ৰাখক। তাতে আজিও মৌলবী সকলে চিঞৰ-বাখৰ লগাই আছে। জগতৰ প্ৰত্যেজন আহমদী যিয়ে যি দেশতেই বসবাস কৰি আছে, সকলোৰে বাবে দোৱা কৰিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে ৰমজান মাহ বুলি দোৱাৰ ফালে বিশেষ মনোযোগ দিবলৈ আহ্বান জনাই কয়, ৰমজান মাহ নিচেই ওচৰ চাপি আহিছে যেনেকৈ মই কৈছো যে ৰমজান মাহত কোৰাণ কৰিম পঢ়া আৰু বুজাৰ ফালে মনোযোগ দিব, ইয়াৰ লগতে দোৱাৰ ফালেও বিশেষ ভাৱে মনোযোগ দিব। আল্লাহ তা'লা আমাক ইয়াৰ বাবে তৌফিক দান কৰক। লগতে ৰমজানৰ কল্যাণত কল্যাণমণ্ডিত হোৱাৰ তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِیَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِی الْقُرْبٰی
وَيَنْهٰی عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**